প্ৰকাশ যোগ্য

ভাৰতৰ উচ্চতম ন্যায়ালয়

দেৱানী আপীল অধিকাৰক্ষেত্ৰ

দেৱানী আপীল নম্বৰ- ১২৬৪/২০১৯ চনৰ

(বিশেষ অনুমতি আৱেদন (দেৱানী) নম্বৰঃ ১২৬২৪/২০১৮ পৰা উদ্ভৱ)

ত্ৰিপুৰা উচ্চ ন্যায়ালয়ৰ মহাপঞ্জীয়কৰ জৰিয়তে

--- আপীলকাৰী

-বনাম-

তীৰ্থ সাৰথি মুখাৰ্জী আৰু অন্যান্য

--- প্ৰতিবাদী

**ৰায়**

ন্যায়াধীশ কে. এম. যোচেফ

১. গুৱাহাটী উচ্চ ন্যায়ালয়ে পুনৰীক্ষণ আৱেদন নম্বৰ ২১/২০১৮ চনৰ ওপৰত ১৯/০৩/২০১৮ তাৰিখে জাৰি কৰা আদেশৰ বিৰুদ্ধে এই আপীল বিশেষ আৱেদন যোগে অনুমতি প্ৰাপ্তিৰে দাখিল কৰা হৈছে। এই বিৰোধিত আদেশৰ দ্বাৰা ১ নং প্ৰতিবাদীয়ে, লেখ আৱেদন খাৰিজ কৰাৰ বিপৰীতে দাখিল কৰা পুনৰ বিবেচনা আৱেদনখন আদালতে গ্ৰহণ কৰে আৰু ত্ৰিপুৰা ন্যায়িক সেৱা, গ্ৰেড-১ ৰ পৰীক্ষাত তেওঁৰ উত্তৰবহীসমূহ পুনৰ মূল্যায়ন কৰিবলৈ নিৰ্দেশ দিয়ে।

পৰৱৰ্তী পৃষ্ঠাত

২. ১৮/০১/২০১১ তাৰিখে প্ৰকাশিত বিজ্ঞাপনৰ জৰিয়তে ত্ৰিপুৰা ন্যায়িক বিষয়াৰ গ্ৰেড-১ৰ ৩টা পদত নিযুক্তিৰ বাবে কৰ্মৰত অধিবক্তাৰ পৰা আৱেদন বিচৰা হৈছিল। সেই বিজ্ঞাপন অনুসৰি ১ নম্বৰ প্ৰতিবাদীয়ে ১২/০৬/২০১১ তাৰিখে হোৱা প্ৰাৰম্ভিক পৰীক্ষাত অৱতীৰ্ণ হৈছিল। সেই পৰীক্ষাৰ ফলাফল ২৪/০৬/২০১১ তাৰিখে ঘোষণা কৰা হ'ল। আৱেদনকাৰীৰ লগতে অন্য ১৬ জনক যোগ্য ঘোষণা কৰা হৈছিল। মুখ্য পৰীক্ষা অনুষ্ঠিত হৈছিল ৩০/০৭/২০১১ আৰু ৩১/০৭/২০১১ তাৰিখে। মুখ্য পৰীক্ষা তিনিখন প্ৰশ্নকাকত যুক্ত আছিল। মুখ্য পৰীক্ষাৰ ফলাফল ২৯/০৯/২০১১ তাৰিখে ঘোষণা কৰা হৈছিল, য'ত ১ নম্বৰ প্ৰতিবাদী যোগ্য বিবেচিত নহ'ল। তেওঁ তথ্য জনা অধিকাৰ আইন, ২০০৫ ৰ ভিত্তিত তেওঁ লাভ কৰা নম্বৰসমূহ জানিবলৈ বিচাৰিলে। ০১/১১/২০১১ তাৰিখে তেওঁক নিজৰ উত্তৰবহী চাবলৈ দিয়া হৈছিল। ১ নং প্ৰতিবাদীয়ে তেওঁৰ কিছুমান শুদ্ধ উত্তৰ অশুদ্ধ বুলি চিন দিয়া দেখা পাইছিল। তেওঁ মুঠ ৩০০ নম্বৰৰ ভিতৰত ১৭৫ নম্বৰ পাইছিল। অৰ্থাৎ, তেওঁ সাক্ষাৎকাৰত বহিবলৈ প্ৰয়োজন হোৱা যোগ্যতা অৰ্থাৎ ৬০ শতাংশ নম্বৰৰ বাবে ৫ নম্বৰ কম পাইছিল। তেওঁ নিজৰ প্ৰশ্নকাকত নম্বৰ ১, ২ আৰু ৩ৰ উত্তৰবহীৰ পুনৰ মূল্যায়নৰ কাৰণে আৰু তেওঁক সাক্ষাৎকাৰলৈ অযোগ্য বিবেচনা কৰা সিদ্ধান্ত বে-আইনী ঘোষণা কৰিবৰ বাবে তেওঁ এখন লেখ আৱেদন দাখিল কৰে যিখন ১৮০৯/২০১২ নং যোগে পঞ্জীভুক্ত কৰা হৈছিল। উক্ত লেখ আৱেদনখন ১২/১২/২০১২ তাৰিখে খাৰিজ কৰা হয়। প্ৰতিবাদীয়ে এই আদালতত দাখিল কৰা বিশেষ অনুমতি আৱেদন ২৩/০৭/২০১৩ তাৰিখে খাৰিজ কৰা হয়। তাৰপিছত তেওঁ পুনৰ বিবেচনা আৱেদন দাখিল কৰে। পুনৰ বিবেচনা আৱেদনখনত উচ্চ ন্যায়ালয়ে আৱিষ্কাৰ কৰে যে বিধি ২০০৩ অনুসৰি পৰীক্ষা অনুষ্ঠিত কৰা সম্পৰ্কে উল্লেখ থকা নিয়মাৱলীত উত্তৰবহী পুনৰ মূল্যায়নৰ বিষয়ে কোনো উল্লেখ নাই। কিন্তু এইটোও দৃষ্টিগোচৰ হৈছিল যে প্ৰকাশ্য ভুলৰ ক্ষেত্ৰত পুনৰ মূল্যায়নত কোনো বাধা নাই। শুদ্ধ উত্তৰৰ বাবদ কোনো নম্বৰ নিদিয়া বা শুদ্ধ উত্তৰ অশুদ্ধ বুলি বিবেচনা কৰাটোও ইয়াৰ অন্তৰ্ভুক্ত হ'ব পাৰে। আদালতে নিঃসন্দেহে এইটো মনত ৰাখিব লাগিব যে ই কেতিয়াও পৰীক্ষকৰ দৰে আচৰণ কৰি উত্তম পৰীক্ষকৰ ভূমিকা পালন কৰিব নোৱাৰে। ইয়াৰ পিছত প্ৰাপ্ত তথ্যসমূহ তলত উল্লেখ কৰা হ'ল -

পৰৱৰ্তী পৃষ্ঠাত

*“২৫. আমি আবেদনকাৰীৰ ১ নং প্ৰশ্নকাকতৰ উত্তৰবহী আৰু ২ নং প্ৰশ্নকাকতৰ উত্তৰবহী চালোঁ। আমাৰ মতে, ২ নং প্ৰশ্নকাকতৰ উত্তৰবহীত ১৩ নম্বৰ প্ৰশ্নৰ উত্তৰ ৩, ১৮ নম্বৰ প্ৰশ্নৰ উত্তৰ ২ আৰু ১৫ নম্বৰ প্ৰশ্নৰ উত্তৰ ৩ দিয়া আছে আৰু সেইবিলাক অশুদ্ধ বুলি দাগ মৰা আছে। সেইদৰে, ২ নং প্ৰশ্নকাকতৰ উত্তৰবহীত ১৪ নম্বৰ প্ৰশ্নৰ উত্তৰ ১ দিয়া আছে কিন্তু তাৰ বিপৰীতে কোনো নম্বৰ দিয়া হোৱা নাই- গতিকে এয়া আকৌ এবাৰ চাব লাগে। কিন্তু আমি স্পষ্ট কৰিব বিচাৰিছোঁ যে, আমি এইক্ষেত্ৰত কোনো চূড়ান্ত মতামত দিয়া নাই।”*

৩. আবেদনকাৰীয়ে তেওঁৰ লেখ আবেদনখন খাৰিজ হোৱাৰ পিছত এই গোচৰ তৰিছে, এই গোচৰ কাকত নম্বৰ ৩ ৰ ক্ষেত্ৰত ন্যায় বিচাৰি কৰা হৈছে আৰু ই ১ নং প্ৰতিবাদীৰ ১ নং আৰু ২ নং প্ৰশ্নকাকতৰ কোনো বিচাৰ নকৰে। তদুপৰি ১ নং প্ৰতিবাদীয়ে নিজেও এই কথা স্পষ্ট কৰি দিয়া নাই। দীৰ্ঘসময় অতিক্ৰম কৰা বিষয়টোলৈ চাই, আদালতে লেখ আবেদনখন গ্ৰহণ কৰে আৰু লেখ আবেদনখন খাৰিজ কৰা ৰায়টো সংশোধন কৰি ত্ৰিপুৰা উচ্চ ন্যায়ালয়ৰ মহা-পঞ্জীয়কক ২ নম্বৰ আৰু ৩ নম্বৰ প্ৰশ্নকাকতৰ আগতে মূল্যায়ন কৰা উত্তৰবহী পুনৰ মূল্যায়ন কৰিবলৈ আদেশ দিয়ে। এই উদ্দেশ্যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ তত্বাৱধানত থকা উত্তৰবহীসমূহ ছীল কৰি ত্ৰিপুৰা উচ্চ ন্যায়ালয়ৰ মহা-পঞ্জীয়কলৈ প্ৰেৰণ কৰিবলৈ আদেশ দিয়ে।

৪. আমি আপীলকাৰী আৰু ১ নং প্ৰতিবাদী দুয়ো পক্ষৰ উকীলৰ যুক্তিসমূহ শুনিলোঁ।

৫. আপীল পক্ষৰ অধিবক্তাই ২০১১(৫) এছ.চি.চি.(৩৭) ত উল্লেখ থকা কে. ৰাজমাউলী বনাম এ.ভি.কে.এন. স্বামী গোচৰৰ ৰায়টোৰ সম্পৰ্কে উল্লেখ কৰিছে। সেই সিদ্ধান্তত কোৱা হৈছিল যে এই গোচৰৰ পুনৰ বিবেচনা আবেদনখন গ্ৰহণযোগ্য নাছিল। এই গোচৰত পুনৰ বিবেচনা আবেদনখন, বিশেষ অনুমতি আবেদনখনতকৈ আগতে দিয়া হোৱা নাছিল। পুনৰ বিবেচনা আবেদনখন বিশেষ অনুমতি আবেদনখন দাখিল কৰাৰ পিছতহে দাখিল কৰা হৈছিল। তাৰপিছত কেৱল ইয়াৰ ভিত্তিতে উচ্চ ন্যায়ালয়ে পুনৰ বিবেচনা আবেদনখন গ্ৰহণ নকৰে বুলি যুক্তি দাঙি ধৰে।

পৰৱৰ্তী পৃষ্ঠাত

৬. দ্বিতীয়তে, তেওঁ পুনৰ বিবেচনা আৱেদনখন দাখিল কৰাত অস্বাভাৱিক বিলম্ব হোৱাৰ কথা দাঙি ধৰিছে। আমি লক্ষ্য কৰিছিলোঁ যে বিশেষ অনুমতি আৱেদনখন ২০১৩ চনত খাৰিজ কৰা হৈছিল আৰু ইয়াৰ প্ৰায় ৫ বছৰ পিছত বৰ্তমানৰ পুনৰ বিবেচনা আৱেদনখন দাখিল কৰা হৈছিল। বিশিষ্ট অধিবক্তাই, লেখ আৱেদনখনৰ চূড়ান্ত ৰায় দিয়াৰ পিছত বাছনি প্ৰক্ৰিয়াৰ পিছৰ পৰ্য্যায়ৰ অগ্ৰগতিৰ বিষয়ে উল্লেখ কৰিছে।

৭. তৃতীয়তে, আপীলকাৰীৰ বিশিষ্ট অধিবক্তাই আঙুলিয়াই দিয়ে যে এই আদালতে কিছুমান এনে পৰিস্থিতিৰ কথা কৈছে যিবোৰে পুনৰ মূল্যায়নৰ আদেশটোৰ ন্যায্যতা প্ৰতিপাদন কৰে। আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ’ল, এজন পৰীক্ষাৰ্থীক তেওঁৰ নিজৰ উত্তৰবহী পুনৰ মূল্যায়ন বিচাৰিবলৈ অধিকাৰ দিয়াৰ যদি কোনো উপবন্ধ নাথাকে, তেন্তে তেওঁৰ পুনৰ মূল্যায়ন কৰিবলৈ দাবী কৰাৰ কোনো অধিকাৰ নাথাকে। এই কথা স্বীকাৰ্য্য যে এই গোচৰত কোনো উপবন্ধ নাই যিয়ে প্ৰাৰ্থীগৰাকীক পুনৰ মূল্যায়ন বিচাৰিবলৈ অধিকাৰ দিয়ে। তেনে পৰিস্থিতিত উচ্চ ন্যায়ালয়ে পুনৰ বিচাৰ আৱেদনখন গ্ৰহণ কৰা আৰু উত্তৰবহী পুনৰ মূল্যায়ন কৰিবলৈ দিয়া আদেশটো ন্যায়সংগত নহয়। এইক্ষেত্ৰত তেওঁ ২০০৪ চনৰ (৬) এছ.চি.চি. ৭১৪ ত থকা প্ৰমোদ কুমাৰ শ্ৰীবাস্তৱ বনাম অধ্যক্ষ, বিহাৰ লোকসেৱা আয়োগ, পাটনা আৰু অন্যান্য গোচৰটোলৈ আমাৰ দৃষ্টি আকৰ্ষণ কৰাইছে।

৮. অন্যহাতে, প্ৰথম প্ৰতিবাদীয়ে উনুকিয়াই দিছে যে এইটো এনে এটা গোচৰ য’ত পৰীক্ষকে তেওঁ দিয়া শুদ্ধ উত্তৰৰ বাবে কোনো নম্বৰ দিয়া নাই আৰু ফলস্বৰূপে উচ্চ ন্যায়ালয়ে এই অন্যায় দেখি হস্তক্ষেপ কৰিবলগীয়া হৈছে। ১ নং প্ৰতিবাদীৰ বিশিষ্ট অধিক্তাই ২০১৮ চনৰ (২) এছ.চি.চি. ৩৫৭ প্ৰকাশিত ৰান বিজয় সিং আৰু অন্যান্য বনাম উত্তৰ প্ৰদেশ আৰু অন্যান্য গোচৰটোলৈ আমাৰ দৃষ্টি আকৰ্ষণ কৰাইছে। ইয়াত কোনো সন্দেহ নাই যে এই গোচৰৰ ৰায়টো দুগৰাকী বিজ্ঞ ন্যায়াধীশে জাৰি কৰিছিল। তলত দিয়া ধৰণেও এই ৰায়টোত কোৱা হৈছে-

> *“৩০.২ যদি পৰীক্ষা সম্পৰ্কে থকা কোনো আইন, বিধি বা বিনিময়ে উত্তৰবহী মূল্যায়ন বা নিৰীক্ষণ কৰিবলৈ অনুমতি নিদিয়ে (প্ৰতিৰোধ কৰাৰ পৰা পৃথক) তেতিয়া আদালতে পুনৰ মূল্যায়ন বা নিৰীক্ষণ কৰিবলৈ অনুমতি দিব পাৰে,*

পৰৱৰ্তী পৃষ্ঠাত

*যদিহে এইটো স্পষ্টভাৱে দেখা যায় যে এটা ভুল হৈছে আৰু ইয়াক কোনো যুক্তি প্ৰয়োগ নকৰাকৈ বুজি পোৱা যায়। বিৰল আৰু ব্যতিক্ৰমী গোচৰত আদালতে এই কাম কৰিব পাৰে।"*

৯. আচলতে, আমি ব্যক্তিগতভাৱে উপস্থিত থাকি যুক্তি প্ৰদৰ্শন কৰিবলৈ অনুমতি বিচৰা, ১ নং প্ৰতিবাদীক আমি অনুমতি প্ৰদান কৰোঁ। তেওঁ জোৰ দি কৈছে যে তেওঁ দিয়া শুদ্ধ উত্তৰৰ বাবদ পাবলগীয়া নম্বৰ নিদি তেওঁৰ প্ৰতি গুৰুতৰ অন্যায় কৰা হৈছে।

১০. প্ৰথমে, আমি এইটো সিদ্ধান্ত ল'ব লাগিব যে যিহেতু এই গোচৰত বিশেষ অনুমতি আৱেদনখন নাকচ কৰাৰ পিছত পুনৰ বিবেচনা আৱেদনখন দাখিল কৰা হৈছে, গতিকে আমি তাৰ ভিত্তিতে আপীল আৱেদনখন গ্ৰহণ কৰিম নেকি। নিঃসন্দেহে আৱেদনকাৰীয়ে দেখুৱাই দিয়া ২০০১ চনৰ ৫ এছ.চি.চি. ৩৭ ত প্ৰকাশিত কে. ৰাজমাউলী বনাম এ.ভি.কে.এন. স্বামী গোচৰত তলত উল্লেখ কৰা ধৰণেও কোৱা হৈছে-

*"৪. ওপৰত উল্লেখিত কোনহায়ামেদ আৰু অন্যান্য গোচৰটো অনুসৰণ কৰি আমি কওঁ যে উচ্চ ন্যায়ালয়ে দিয়া ৰায়ৰ বিপৰীতে দাখিল কৰা বিশেষ অনুমতি আৱেদন খাৰিজ হ'লে ইয়াক আগতে বিচাৰ হোৱা গোচৰ বুলি গণ্য কৰিব নোৱাৰি, যদিহে পুনৰ বিবেচনা আৱেদন সম্পৰ্কত দিয়া আদেশৰ বিৰুদ্ধে বিশেষ অনুমতি আৱেদন দাখিল কৰা হৈছে। এনেকুৱা এটা পৰিস্থিতিত যদিহে এটা পক্ষই মূল ৰায়ৰ বিৰুদ্ধে বিশেষ অনুমতি আৱেদনৰ যোগেদি প্ৰতিকাৰ বিচাৰি নাপাই বহু পলমকৈ পুনৰ বিবেচনা আৱেদন দাখিল কৰে, তেনে পৰিস্থিতিত পুনৰ বিবেচনা আৱেদন দাখিল কৰিলে আইনী বিচাৰ প্ৰক্ৰিয়াৰ অপব্যৱহাৰ কৰা হ'ব।"*

১১. যি কি নহওঁক, ২০১১ চনৰ (৫) এছ.চি.চি. ৬০২ ত প্ৰকাশিত গংগাধাৰা পাচলা বনাম সংমগুল বিষয়া আৰু অন্যান্য গোচৰত অন্য এখন বিচাৰপীঠে এটা বেলেগ ধৰণৰ টোকা দিছিল। উক্ত ৰায়টোত দুজনীয়া খণ্ড বিচাৰপীঠে অন্যান্য কথাৰ লগতে তলত উল্লেখ কৰা ধৰণেও কৈছিল-

পৰৱৰ্তী পৃষ্ঠাত

*“১০. আমি ইতিমধ্যে উল্লেখ কৰা এছ.চি.চি. ৪ নং অনুছেদত থকা ৰায়টো চালি-জাৰি চালোঁ কৰিলোঁ আৰু লক্ষ্য কৰিলোঁ যে যদিহে বিশেষ অনুমতি আৱেদনখন খাৰিজ কৰাৰ পিছত উচ্চ ন্যায়ালয়ত পুনৰ বিবেচনা আৱেদন দাখিল কৰা হয়, তেনেহ’লে, ই উচ্চতম ন্যায়ালয়ৰ হুকুমক প্ৰকাশ্যে অপমান কৰা বুলি গণ্য কৰা হ’ব। আমাৰ মতে, ওপৰত উল্লেখিত মন্তব্যসমূহ নজিৰ স্বৰূপে সমূলি গ্ৰহণ কৰিব নোৱাৰি। আমি অপমানলৈ ভয় কৰা নাই। মন কৰিবলগীয়া বিষয়টো হৈছে যে আইনমতে হৈছে নে নাই সেয়া লক্ষ্য কৰা। আমি অপমানিত হৈছো নে নাই হোৱা সেইটো অপ্ৰাসংগিক।”*

১২. আইনী মতামতৰ পাৰ্থক্য দেখি গোচৰটো ডাঙৰ বিচাৰপীঠলৈ প্ৰেৰণ কৰা হ’ল। এই অগ্ৰগতিৰ পৰিপ্ৰেক্ষিতত আমি নাভাবোঁ যে যিহেতু পুনৰ বিবেচনা আৱেদনখন, বিশেষ অনুমতি আৱেদনখন খাৰিজ কৰাৰ পিছত দাখিল কৰা হৈছে, গতিকে আপীলকাৰীয়ে প্ৰতিকাৰ পাবৰ যোগ্য।

১৩. পৰৱৰ্তী বিবেচনা কৰিবলগীয়া বিষয়টো হৈছে আদেশটোৰ যথাৰ্থতা। ওপৰত উল্লেখ কৰা প্ৰমোদ কুমাৰ শ্ৰীবাস্তৱ গোচৰত তিনিজনীয়া বিচাৰপীঠে আগৰ দুজনীয়া বিচাৰপীঠে দিয়া ৰায়টো, যিটো ১৯৮৪ চনৰ ৪ এছ.চি.চি. ২৭ ত আছে, উল্লেখ কৰি তলত দিয়া ধৰণে মন্তব্য আগবঢ়াইছিল-

*“৭. আয়োগৰ বিধিত এজন পৰীক্ষাৰ্থীয়ে নিজৰ উত্তৰবহী পুনৰ মূল্যায়ন বিচাৰিব পৰা কোনো উপবন্ধ নথকা সম্পৰ্কত কোনো বিতৰ্ক নাই। তেনে পৰিস্থিতিত আপীলকাৰীয়ে লেখ আৱেদনত উল্লেখ কৰা প্ৰাৰ্থনাটো অসমৰ্থনীয় আৰু বিজ্ঞ এজনীয়া ন্যায়াধীশে উত্তৰবহী পুনৰ মূল্যায়ন কৰোৱাটো ভুল।*

*৮. এজনীয়া বিচাৰপীঠে দিয়া পথটো অনুসৰণ কৰিলে ব্যৱহাৰিক সমস্যাৰ সৃষ্টি কৰিব। বহুতো পৰীক্ষাৰ্থীয়ে তেওঁলোকৰ উত্তৰবহী পুনৰ মূল্যায়ন কৰিবলৈ প্ৰাৰ্থনা জনাবলৈ সুবিধা ল’ব পাৰে। সাধাৰণতে, লেখ আৱেদন দাখিল কৰিলে*

পৰৱৰ্তী পৃষ্ঠাত

*আদালতে বিভিন্ন তাৰিখত আদেশ দিয়ে। তেতিয়া আয়োগে প্ৰাৰ্থীগৰাকীৰ উত্তৰবহীসমূহ পুনৰ মূল্যায়ন কৰিবলৈ পঠিয়াব লাগিব আৰু ইয়াৰ বাবে বহু সময়ৰ প্ৰয়োজন হ'ব। যিহেতু আয়োগে পতা পৰীক্ষাসমূহ প্ৰতিযোগিতামূলক পৰীক্ষা, সেয়ে পৰীক্ষাৰ ফলাফল ঘোষণা কৰাত বিলম্ব হ'ব আৰু খালী পদসমূহ দীৰ্ঘ সময়ৰ কাৰণে পূৰণ নোহোৱাকৈ থাকিব। যদি কোনো প্ৰাৰ্থীয়ে পুনৰ মূল্যায়নত কম নম্বৰ পায় তেতিয়া কি হ'ব? তেতিয়া তেওঁ আবেদন জনাব যে তেওঁৰ আগৰ নম্বৰবোৰ গ্ৰহণ কৰিব লাগে। এই বিষয়টোৰ ওপৰত নিৰ্দিষ্ট বিধি নথকাৰ বাবে ই বিভিন্ন সমস্যাৰ সৃষ্টি কৰিব পাৰে আৰু বৃহত্তৰ স্বাৰ্থত এইবোৰ এৰিব লাগে।"*

১৪. ২০১০ চনৰ (৬) এছ.চি.চি. ৭৫৯ ত প্ৰকাশিত হিমাচল প্ৰদেশ লোকসেৱা আয়োগ বনাম মুকেশ ঠাকুৰ আৰু অন্যান্য গোচৰত দুজনীয়া বিচাৰপীঠে তলত দিয়া ধৰণে কৈছিল-

*"২০. ওপৰত আলোচনা কৰা অনুসৰি উচ্চ ন্যায়ালয়ে নিজাববীয়াকৈ প্ৰশ্নকাকত আৰু উত্তৰবহীসমূহ পৰীক্ষা কৰাটো উচিত নাছিল, বিশেষকৈ আয়োগে যিহেতু গোটেই প্ৰাৰ্থীসমূহৰ ভিতৰত যোগ্যতা নিৰূপণ কৰি থৈছিল। যদি প্ৰশ্নকাকত তৈয়াৰ কৰাত বা মূল্যায়ন কৰাত কোনো ত্ৰুটি আছিল বা হৈছিল, তাৰবাবে পৰীক্ষাত অৱতীৰ্ণ হোৱা সকলো প্ৰাৰ্থীয়েই ভুক্তভোগী হ'ব, কেৱল ১ নং প্ৰতিবাদীৰ ক্ষেত্ৰতে নহ'ব। এইটো এটা সুবিধাৰ কথা যে উচ্চ ন্যায়ালয়ে আইন বিষয়ৰ উত্তৰবহী পৰীক্ষা কৰিছিল, এইক্ষেত্ৰত যদি পদাৰ্থ বিজ্ঞান, ৰাসায়ণ বিজ্ঞান আৰু অংক বিষয়ৰ দৰে অন্যান্য বিষয় বিলাক হ'লহেঁতেন তেতিয়া উচ্চ ন্যায়ালয়ে কি পন্থা অৱলম্বন কৰিলেহেঁতেন ই আমাৰ বোধগম্য নহয়। গতিকে, আমি বিবেচনা কৰোঁ যে উচ্চ ন্যায়ালয়ক তেনে পন্থা অৱলম্বন কৰিবলৈ দিয়াটো উচিত নহ'ব।"*

(গুৰুত্ব প্ৰদান কৰা হৈছে)

পৰৱৰ্তী পৃষ্ঠাত

ইয়াৰোপৰি তলত দিয়া ধৰণে গুৰুত্বসহকাৰে বিবেচনা কৰা হ'ল-

> *"২৪. উত্তৰবহী পুনৰ মূল্যায়ন বিষয়টো পূৰ্বে বিচাৰ নোহোৱা বিষয় নহয়। এই বিষয়টো এই আদালতে মহাৰাষ্ট্ৰ ৰাজ্যিক উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদ বনাম পৰিতোষ ভূপেশ কুমাৰ শেঠ (১৯৮৪) ৪ এছ.চি.চি. ২৭ গোচৰত বিশদভাৱে বিবেচিত হৈছিল, য'ত এই আদালতে এই যুক্তি অগ্ৰাহ্য কৰিছিল যে যদি পুনৰ মূল্যায়নৰ কাৰণে কোনো উপবন্ধ নাথাকে, তেতিয়া আদালতে এইক্ষেত্ৰত নিৰ্দেশ জাৰি কৰিব পাৰে। আদালতে ইয়াৰ পিছত আকৌ কৈছিল যে যদিও বিধি বা বিনিময়ৰ নীতিৰ সিদ্ধান্তত কোনো পুনৰ নিৰীক্ষণ বা পৰীক্ষা কৰা/পুনৰ মূল্যায়নৰ ব্যৱস্থা নাথাকে, তেতিয়াও তাৰ বিৰুদ্ধে আপত্তি কৰিব নোৱাৰি, যদিহে দেখুৱাব পৰা নাযায় যে নীতিটোৱে কোনো আইনৰ কিছুমান উপবন্ধ উলংঘা কৰিছে।"*

১৫. ওপৰত উল্লেখ কৰা প্ৰমোদ কুমাৰ শ্ৰীবাস্তৱৰ গোচৰটোৰ বিষয়ে উল্লেখ কৰি কয় যে-

> *"২৬. গতিকে এই বিষয়ত আইন এইটোৱেই হ'ব পাৰে যে যদি সংবিধিত বা বিধিবদ্ধ নিয়মত/বিনিয়মত কোনো উপবন্ধ নাথাকে, তেতিয়া আদালতে সাধাৰণতে পুনৰ মূল্যায়নৰ আদেশ দিয়া উচিত নহ'ব।"*

১৬. ২০১৪ চনৰ (১৪) এছ.চি.চি. ৫২৩ ত প্ৰকাশিত কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ সম্পাদকৰ যোগেদি, সৰ্বভাৰতীয় প্ৰাক্-চিকিৎসা/ দন্ত চিকিৎসা প্ৰৱেশ পৰীক্ষা আৰু অন্যান্য বনাম খুচবু শ্ৰীবাস্তৱ আৰু অন্যান্য গোচৰত পুনৰ এখন দুজনীয়া বিচাৰপীঠে পূৰ্বৰ সিদ্ধান্তসমূহ পুনৰ বিবেচনা কৰি তলত দিয়া ধৰণেৰে মত আগবঢ়াইছিল-

> *"৯. আমি দেখিলোঁ যে এইখন বিচাৰপীঠে প্ৰমোদ কুমাৰ শ্ৰীবাস্তৱ বনাম বিহাৰ লোকসেৱা আয়োগ (২০০৪) ৬ এছ.চি.চি. ৭১৪ গোচৰত মহাৰাষ্ট্ৰ ৰাজ্যিক উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদ বনাম পৰিতোষ ভূপেশ কুমাৰ শেঠ (১৯৮৪) ৪ এছ.চি.চি. ২৭ ৰ আলম লৈ কয় যে সেই প্ৰসংগত থকা বিধিত*

পৰৱৰ্তী পৃষ্ঠাত

*উত্তৰবহী পুনৰ মূল্যায়নৰ কোনো উপবন্ধ নাথাকিলে, পৰীক্ষাৰ কোনো প্ৰাৰ্থীয়ে নিজৰ উত্তৰবহী পুনৰ মূল্যায়নৰ বাবে দাবী কৰিব পৰা অধিকাৰ নাই। এইখন ন্যায়ালয়ৰে অন্য এখন তিনিজনীয়া বিচাৰপীঠে মাধ্যমিক শিক্ষা পৰিষদ বনাম প্ৰভাস ৰঞ্জন পণ্ডা (২০০৪) ১৩ এছ.চি.চি. ৩৮৩ গোচৰত প্ৰমোদ কুমাৰ শ্ৰীবাস্তৱ বনাম বিহাৰ লোকসেৱা আয়োগ (২০০৪) ৬ এছ.চি.চি. ৭১৪ গোচৰৰ সিদ্ধান্তটো অনুসৰণ কৰি কৈছিল যে ৯০ শতাংশ বা ততোধিক নম্বৰ পোৱা প্ৰাৰ্থীৰ উত্তৰবহী পুনৰ মূল্যায়ন কৰিবলৈ দিয়া উচ্চ ন্যায়ালয়ৰ আদেশটো আইনত গ্ৰহণযোগ্য নহয়, কাৰণ এই পৰীক্ষা অনুষ্ঠিত কৰা উৰিষ্যা মাধ্যমিক শিক্ষা পৰিষদে তেওঁলোকৰ নিয়মাৱলীত উত্তৰবহী পুনৰ মূল্যায়নৰ কোনো উপবন্ধ ৰখা নাছিল।"*

১৭. অৱশেষত ২০১৮ চনৰ (২) এছ.চি.চি. ৩৫৭ ত প্ৰকাশিত ৰণবিজয় সিং আৰু অন্যান্য বনাম উত্তৰ প্ৰদেশ আৰু অন্যান্য গোচৰত আদালতে সিদ্ধান্তসমূহ বাছি উলিয়াইছে, য'ত ৩০.২ অনুচ্ছেদটো অন্তৰ্ভুক্ত। আমি ৩০.৫ অনুচ্ছেদত থকা তলত দিয়া ধৰণৰ সিদ্ধান্তসমূহো চাব পাৰোঁ,

*"৩০.৫ যদি কেতিয়াবা কোনো সন্দেহৰ উদ্ভৱ হয়, তেতিয়া তাৰ সুফল প্ৰাৰ্থীতকৈ পৰীক্ষা পতা কৰ্তৃপক্ষইহে লাভ কৰিব ।"*

১৮. আমি এই ন্যায়ালয়ৰ সিদ্ধান্তসমূহত চকু ফুৰালোঁ। এখন তিনিজনীয়া বিচাৰপীঠে সন্দেহাতীতভাৱে মতামত আগবঢ়াইছে যে যদি পুনৰ মূল্যায়নৰ কোনো উপবন্ধ নাথাকে, তেতিয়া পুনৰ মূল্যায়নৰ বাবে দাবী জনোৱাৰ কোনো আইনী অধিকাৰ নাথাকে। নিঃসন্দেহে কোনো উপবন্ধও নাই। কাৰ্যতঃ উচ্চ ন্যায়ালয়ে আপত্তি কৰা ৰায়টো সেই একে ভিত্তিতে দিছিল। আমি উত্তৰ দিবলগীয়া প্ৰশ্নটো হ'ল, কোনো উপবন্ধ নাথাকিলে, আদালতে ২২৬ অনুচ্ছেদ মতেও পুনৰ মূল্যায়নৰ আদেশ দিব পৰাটো নোহোৱা হৈ যায় নেকি? এইটো সত্য যে পৰমাদেশ বিচাৰিব পৰা অধিকাৰটো আইনী অধিকাৰ আৰু উত্তৰ দিয়া প্ৰতিবাদী পক্ষৰ পালন কৰিবলগীয়া ৰাজহুৱা কৰ্তব্যৰ ওপৰত নিৰ্ভৰ কৰিব। এইটো স্পষ্ট হৈ পৰিল যে ১ম প্ৰতিবাদীয়ে পুনৰ মূল্যায়নৰ কাৰণে লেখ আৱেদন বা পুনৰ বিবেচনা আৱেদন চলাই নিয়াৰ কোনো অধিকাৰ নাই।

পৰৱৰ্তী পৃষ্ঠাত

১৯. এতিয়া এটা প্ৰশ্নৰ উদ্ভৱ হয়, যদিও পুনৰ মূল্যায়ন অধিকাৰ হিচাপে বিচৰাৰ কোনো আইনী অধিকাৰ নাই, এনেকুৱা এটা পৰিস্থিতি উদ্ভৱ হ'ব পাৰে নেকি য'ত আদালতো সন্দেহত থাকি যাব? বিশেষ পৰিস্থিতিত লেখ আৱেদনকাৰীক প্ৰতি গুৰুতৰ অন্যায় কৰা হৈ যাব পাৰে। এনেকুৱা পৰিস্থিতিৰ উদ্ভৱ হ'ব পাৰে যদিহে শুদ্ধ উত্তৰ দিয়া সত্বেও কোনো নম্বৰ দিয়া হোৱা নাই অথচ পুনৰ মূল্যায়নৰো কোনো উপবন্ধ নাই। নিঃসন্দেহে এইটো এনেকুৱা গোচৰতে সীমাবদ্ধ থাকিব য'ত উত্তৰৰ শুদ্ধ লৈ কোনো বিবাদ নাথাকিব। ইয়াৰ পিছতো যদি কোনো সন্দেহ থাকে তেতিয়া সেই সন্দেহৰ সমাধান পৰীক্ষা পতা কৰ্তৃপক্ষৰ সপক্ষেহে ঘটাব লাগে। প্ৰাৰ্থীয়ে দিয়া শুদ্ধ উত্তৰ, যাৰ ওপৰত অলপো সন্দেহ নাই আৰু য'ত পুনৰ মূল্যায়নৰ কোনো উপবন্ধ নাই, তেতিয়াও ২২৬ অনুচ্ছেদত থকা প্ৰশস্ত ক্ষমতাসমূহ বাহাল থাকিব, কিন্তু তেওঁৰ উত্তৰ ভুল বুলি ধৰা হ'ব আৰু সেইবাবে নম্বৰ পাবলৈ যোগ্য নহয় বুলি বিবেচনা কৰা হ'ব।

২০. দ্বিতীয় পৰিস্থিতিটো লেখ আৱেদন দাখিল কৰা আদালতত উপস্থাপন কৰিব পৰা যায় নেকি, লেখ আৱেদন গ্ৰহণ কৰিব পৰা আদালতৰ প্ৰশস্ত ক্ষমতা থকা সত্বেও ই অসহায় নেকি? প্ৰথম কথা হ'ল, পুনৰ মূল্যায়ন সম্পৰ্কত কোনো উপবন্ধ নাথাকিলে, এজন প্ৰাৰ্থীয়ে অধিকাৰ হিচাপে পুনৰ মূল্যায়ন দাবী কৰিব নোৱাৰে। দ্বিতীয়তে, যিকোনো পৰিস্থিতিতে যেতিয়া পুনৰ মূল্যায়নৰ কোনো উপবন্ধ নাথাকিব, তেনেক্ষেত্ৰত লেখ আৱেদন গ্ৰহণ কৰা আদালতে সন্দেহাতীত সাংবিধানিক ক্ষমতা প্ৰয়োগ কৰিব নেকি? আমি পুনৰ কওঁ যে এনে পৰিস্থিতি বিৰল আৰু ব্যতিক্ৰম।

২১. গতিকে আমি ২০১৮ চনৰ (২) এছ.চি.চি. ৩৫৭ ত থকা ৰণবিজয় সিং আৰু অন্যান্য বনাম উত্তৰ প্ৰদেশ আৰু অন্যান্য গোচৰৰ ৰায়ত ৩০.২ অনুচ্ছেদত থকা সিদ্ধান্তটো কেৱল ওপৰত উল্লেখ কৰা ক্ষেত্ৰতহে বুজিম। আমি ইতিমধ্যে লক্ষ্য কৰিছোঁ যে ২০১০ চনৰ (৬) এছ.চি.চি. ৭৫৭ত প্ৰকাশিত ভি.এছ. আচুথান বনাম মুকেশ ঠাকুৰ গোচৰত দিয়া ৰায়ৰ ২৬ নং অনুচ্ছেদত উল্লেখ কৰিছে যে আদালতে সকলো বিচাৰবিধি পৰ্য্যবেক্ষণ কৰি নিয়মটো এইবুলি বুজিছিল যে উপবন্ধৰ অনুপস্থিতিত আদালতে সাধাৰণতে পুনৰ মূল্যায়নৰ আদেশ দিব নালাগে।

পৰৱৰ্তী পৃষ্ঠাত

২২.     এই গোচৰত আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে এই লেখ আৱেদনখন পৰীক্ষাৰ ফলাফলক প্ৰত্যাহবান জনাই, পুনৰ মূল্যায়ন বিচাৰি কৰা হৈছে। লেখ আৱেদনখন ২০১২ চনত উচ্চ ন্যায়ালয়ে খাৰিজ কৰিছিল। বিশেষ অনুমতি আৱেদনখন ২০১৩ চনত খাৰিজ কৰিছিল। পুনৰ বিবেচনা আৱেদনখন প্ৰায় ৫ বছৰ পিছত দাখিল কৰা হৈছিল। এই মাজৰ সময়ছোৱাত নতুন বাছনিও হৈছিল। এইটো সত্য হ'ব পাৰে যে পুনৰ বিবেচনা আৱেদনখন দাখিল কৰাৰ বিলম্বটো মাফ কৰি দিলে, এইটোৱেই নুবুজায় যে আদালতে ২২৬ অনুচ্ছেদত থকা বিবেচনামূলক অধিকাৰ প্ৰয়োগ কৰোতে অতিক্ৰম কৰা সময় আৰু পৰৱৰ্তী সময়ত হোৱা অগ্ৰগতিসমূহ উপেক্ষা কৰিব। ২০১৮ চনৰ (২) এছ.চি.চি. ৩৫৭ ত প্ৰকাশিত উত্তৰ প্ৰদেশ লোকসেৱা আয়োগ, অধ্যক্ষৰ যোগেদি আৰু অন্যান্য বনাম ৰাহুল সিং আৰু অন্যান্য গোচৰৰ প্ৰথম প্ৰতিবাদকাৰীৰ মতে উচ্চ ন্যায়ালয়ৰ হস্তক্ষেপৰ ভিত্তি আছে যদিও সেইটো প্ৰকাশ্য হোৱা নাই। আদালতে এইটো দাঙি ধৰিছিল যে অন্যান্য বিষয়ৰ লগতে আদালতে পুনৰ মূল্যায়নৰ নিৰ্দেশ দিব পাৰে, যদিহে এইটো সাক্ষীৰ ওপৰত ভিত্তি কৰি উপনীত হোৱা সিদ্ধান্ত বা প্ৰক্ৰিয়াৰ যুক্তিৰ ওপৰত ভিত্তি নকৰাকৈ স্পষ্টভাৱে দেখুওৱা হয় আৰু কেৱল বিৰল বা ব্যতিক্ৰমী ক্ষেত্ৰত, য'ত বস্তুগত ভুল হৈছে। এই গোচৰক বিৰল বা ব্যতিক্ৰমী গোচৰ হিচাপে চিহ্নিত কৰাটো শুদ্ধ নহ'ব, যিহেতু প্ৰথম প্ৰতিবাদীয়ে কিছুমান পৰৱৰ্তী ঘটনা ঘটিবলৈ দি ৫ বছৰৰ পিছত আদালতৰ কাষ চাপিছে। আমি অনুভৱ কৰোঁ যে এই দৃষ্টিভংগীটো উচ্চ ন্যায়ালয়ে সম্পূৰ্ণৰূপে আঁকোৱালি লোৱা নাই। এইটো লক্ষ্য কৰিব লাগিব যে পুনৰ বিবেচনা মূল বিষয়টোৰ পুনৰ শুনানি নহয়। পুনৰ বিবেচনা হ'ব পাৰে, যদিহে কোনো বাদ-প্ৰতিবাদ নোহোৱাকৈ এটা প্ৰতীয়মান ভুল চিনাক্ত কৰা যায়। এইটো এটা তেনেকুৱা গোচৰ আছিল নেকি? এইখিনিতে আপীলকাৰীয়ে আদালতৰ দৃষ্টি আকৰ্ষণ কৰি কেৱল পৰীক্ষাৰ তৃতীয় খণ্ডৰ প্ৰশ্নবোৰৰ ক্ষেত্ৰত যি যুক্তি আগবঢ়াইছে আমি তাক চালি-জাৰি চাব লাগিব, কাৰণ ১ম প্ৰতিবাদীয়ে কেৱল এই দিশটোহে উচ্চ ন্যায়ালয়ত উপস্থাপন কৰিছিল। উচ্চ ন্যায়ালয়ে এই লেখ আৱেদন সন্দৰ্ভত দিয়া ৰায়ত এই যুক্তিটো দাঙি ধৰিছে। এই ৰায়টোত ৩ নম্বৰ প্ৰশ্নকাকতৰ উত্তৰবহী মূল্যায়নত হোৱা খেলি-মেলি সম্পৰ্কত বিতংভাৱে আলোচনা কৰা হৈছে। এই আদালতে উচ্চ ন্যায়ালয়ৰ মতামতটোৰ কোনো পৰিৱৰ্তন কৰা নাই। তৎসত্বেও উচ্চ ন্যায়ালয়ে বিৰোধিত ৰায়ত প্ৰথম খণ্ড আৰু দ্বিতীয় খণ্ডত থকা প্ৰশ্নসমূহৰ আলম লৈ, পুনৰ বিচাৰ আৱেদনখন গ্ৰহণ কৰি ৫টা

পৰৱৰ্তী পৃষ্ঠাত

বছৰ অতিক্ৰম কৰাৰ পিছতো সকাহ প্ৰদান কৰিছিল। এই আপীল গ্ৰহণ কৰিবৰ বাবে এয়ে যথেষ্ট। এইবিলাকৰ উপৰিও আমি বিষয়টোৰ কিছুমান গুণ চালি-জাৰি চাইছোঁ।

২৩. প্ৰথম প্ৰতিবাদীৰ ৫ নম্বৰ কমিল। বিৰোধিত ৰায়ৰ ২৫ নম্বৰ অনুচ্ছেদত খণ্ড বিচাৰপীঠে চাৰিটা প্ৰশ্নৰ কথা তুলি আনিছে। আদালতে, প্ৰথম প্ৰতিবাদীয়ে উক্ত ৪টা প্ৰশ্ন সন্দৰ্ভত দিয়া উত্তৰৰ ওপৰত ভিত্তি কৰি হস্তক্ষেপ সূচনা কৰিছিল। যদি আমি ৩ (xii) প্ৰশ্নটো লওঁ, ই এনেধৰণৰ আছিল-

"<u>২ নম্বৰ প্ৰশ্নকাকতৰ প্ৰশ্ন নম্বৰ ৩ (xii)</u>

এটা গোচৰ চলি থকাৰ সময়ত, চি.পি.চি. আদেশ xvii বিধি ৰ মতে, এটা পক্ষক যিকোনো পৰিস্থিতিতে ৩ বাৰতকৈ অধিক মূলতবি দিব নোৱাৰি (নম্বৰ-১)"

২৪. প্ৰথম প্ৰতিবাদীৰ উত্তৰ এয়ে যে এইটো অশুদ্ধ, কিন্তু তেওঁক কোনো নম্বৰ নিদি, ভুল উত্তৰ দিছে বুলি পূৰণ চিন দিলে।

আদেশ xvii বিধি ১ ত তলত দিয়া ধৰণে উল্লেখ আছে-

*"১. আদালতে সময় দি শুনানি মূলতবি কৰিব পাৰে-*

*(১) আদালতে পাৰে, যদিহে উপযুক্ত কাৰণ দৰ্শোৱা হয় তেনেহ'লে আদালতে এটা গোচৰত জড়িত সকলো পক্ষক সময় দিব পাৰে আৰু সময়ে সময়ে শুনানি মূলতবি ৰাখিব পাৰে আৰু তাৰ কাৰণসমূহ লিখিত আকাৰে লিপিবদ্ধ ৰাখিব। উল্লেখযোগ্য যে গোচৰৰ শুনানি পৰ্য্যায়ত কোনো এটা পক্ষকে ৩ বাৰতকৈ অধিকবাৰ এনে ধৰণৰ মূলতবি দিয়া নহয়।"*

২৫. প্ৰথম প্ৰতিবাদীয়ে ২০০৫ চনৰ চালেম উকীল সন্থা (৬) এছ.চি.চি. ৩৪৪ গোচৰত দিয়া ৰায়টোৰ ওপৰত ভিত্তি কৰি গোচৰ তৰিছে। তেওঁৰ মতে, যদিও আদেশ xvii বিধি ১ অনুসৰি, গোচৰ চলি থকাৰ সময়ত এটা পক্ষক যিকোনো পৰিস্থিতিতে ৩ বাৰতকৈ অধিক মূলতবি দিব নোৱাৰি, এই আদালতে ওপৰত উল্লেখ কৰা ৰায়ত এই বুলি মত পোষণ কৰিছিল যে ৩ বাৰতকৈ অধিক মূলতবি প্ৰদান কৰিব পৰা যায়। এইটো স্পষ্ট হৈ পৰিল যে আদেশ xvii বিধি ১ মতে, প্ৰথম

<u>পৰৱৰ্তী পৃষ্ঠাত</u>

প্ৰতিবাদীয়ে দিয়া উত্তৰটো ভুল। আদালতে ব্যাখ্যা কৰোতেহে ওলাইছিল যে ৩ বাৰতকৈ অধিক মূলতবি প্ৰদান কৰিব পৰা যায়। যদিহে পৰীক্ষা কৰা সংস্থাই প্ৰকৃত আদেশ xvii বিধি ১, উপবন্ধ অনুসৰি উত্তৰবহী মূল্যায়ন কৰিবলৈ বিচাৰে, তেতিয়া পুনৰ মূল্যায়নৰ অধিকাৰ নথকাটো কোনো বিষয় নহয়। আমাক হস্তক্ষেপ কৰিবলৈ সৈমান কৰা হৈছে। আমি পৰীক্ষা কৰা সংস্থাই লোৱা মতটো মূলতবি কৰিলোহেঁতেন।

২৬. পৰৱৰ্তী প্ৰশ্নটো হ'ল প্ৰশ্ন নম্বৰ ২ (xviii), যিটো তলত দিয়া ধৰণৰ-

> *"২ নম্বৰ প্ৰশ্নকাকতৰ প্ৰশ্ন নম্বৰ ২ (xviii)*
>
> *বাদীয়ে তামাদি আইনৰ ৫ নং ধাৰা অনুসৰি আৱেদন কৰিব পৰা সময়সীমা বৃদ্ধি কৰিবৰ বাবে আৱেদন জনাব পাৰে। (নম্বৰ-১)*
>
> *পছন্দ-বিকল্প সমূহ তলত দিয়া ধৰণৰ-*
>
> *(ক) এটা গোচৰ তৰিবৰ বাবে*
>
> *(খ) এখন আপীল আৱেদন কৰিবৰ বাবে*
>
> *(গ) আদেশ XXI চি.পি.চি. মতে আৱেদন কৰিবলৈ*
>
> *(ঘ) ওপৰৰ সকলোৰে বাবে"*

২৭. প্ৰথম প্ৰতিবাদীৰ আপত্তি এয়ে যে তেওঁ উত্তৰ নং (খ) শুদ্ধ বুলি দাগ মাৰিছিল, কিন্তু তাত তেওঁক পূৰণ চিন দিয়া হৈছে যিটোৱে তেওঁৰ উত্তৰটো ভুল বুলি বুজাইছে। অন্যহাতে, তেওঁ দাবী কৰিছে যে অন্য উত্তৰ সমূহ- (ক), (গ) আৰু (ঘ) অশুদ্ধ আৰু কেৱল (খ) উত্তৰটো শুদ্ধ হ'ব পাৰে।

২৮. আমি ইয়াৰ ওপৰত ভিত্তি কৰি আগবাঢ়িম যে প্ৰথম প্ৰতিপক্ষৰ দাবীৰ যোগ্যতা আছে। পৰৱৰ্তী প্ৰশ্নটো হ'ল ২ নম্বৰ প্ৰশ্নকাকতত থকা প্ৰশ্ন নং ৩ (XV)। প্ৰশ্নটো আছিল- আপীল আদালতে এটা পক্ষক অতিৰিক্ত সাক্ষ্য আগবঢ়াবলৈ অনুমতি দিব নোৱাৰে। প্ৰতিবাদীয়ে 'ভুল'

পৰৱৰ্তী পৃষ্ঠাত

বুলি দিয়া উত্তৰটোত পূৰণ চিন দিয়া হৈছে আৰু তাত কোনো নম্বৰ দিয়া হোৱা নাই। ইয়াতো আমি ইয়াৰ ওপৰত ভিত্তি কৰি আগবাঢ়িম যে প্ৰথম প্ৰতিপক্ষৰ বৈধ অভিযোগ থাকিব পাৰে। শেষৰ প্ৰশ্নটো হ'ল ২ নম্বৰ প্ৰশ্নকাকতৰ প্ৰশ্ন নম্বৰ ১ (XIV), যিটো তলত দিয়া ধৰণৰ-

> *"২ নম্বৰ প্ৰশ্নকাকতৰ প্ৰশ্ন নম্বৰ ১ (XIV)*
>
> *বাদীয়ে বিবাদীৰ পৰা ১,০০,০০০ টকা উদ্ধাৰ কৰিবৰ বাবে তেওঁৰ ওপৰত গোচৰ তৰিছে আৰু এই গোচৰটো প্ৰমাণ কৰিবৰ বাবে বাদীয়ে তেওঁৰ হিচাপ বহীত থকা লিখনিসমূহ প্ৰমাণিত কৰি দেখুৱাইছে যে বিবাদীয়ে তেওঁৰ ওচৰত উক্ত টকাৰ ধৰুৱা হৈ আছে (নম্বৰ-৩)।"*

২৯. আৱেদনকাৰীয়ে দিয়া উত্তৰটো এনেধৰণৰ-

> *"দেৱানী গোচৰ সম্ভাৱনীয় গভীৰতাৰ ওপৰত ভিত্তি কৰি প্ৰমাণ কৰা হয়। কিন্তু ওপৰত উল্লেখিত গোচৰত লিখনিসমূহেই নহয়, পইচাৰ ৰচিদবিলাকো প্ৰমাণ কৰা হোৱা নাছিল। গতিকে হিচাপ বহীৰ লিখনিসমূহ যথোপযুক্ত নহয়।"*

৩০. এইটো লক্ষণীয় যে এইটো এটা বস্তুনিষ্ঠ প্ৰশ্ন নহয়, সৰ্বাধিক নম্বৰ হৈছে ৩। এইটো এটা গোচৰ নহয় যদিহে আমি ইয়াৰ ওপৰত ভিত্তি কৰি আগুৱাওঁ যে উত্তৰটো শুদ্ধ আৰু নম্বৰ সেই ধৰণেই দিব লাগিব। আমি লক্ষ্য কৰিছোঁ যে যদিও সৰ্বাধিক নম্বৰ ৩, ১ নং প্ৰতিবাদীক ৫টা প্ৰশ্নৰ বিপৰীতে ১ নম্বৰহে দিয়া হৈছে। দেখা পোৱা যায় যে সম্পূৰ্ণ নম্বৰ দিয়াটো কেৱল শুদ্ধ উত্তৰ দিয়াৰ ওপৰত নিৰ্ভৰ নকৰে।

৩১. যি কি নহওঁক, আমি পুনৰ মূল্যায়নৰ অধিকাৰ পোৱা কোনো উপবন্ধ নথকা, আমি দেখুৱাই দিয়া তথ্যসমূহ আৰু আমি দেখুৱাই দিয়া কাৰণবোৰৰ ওপৰত ভিত্তি কৰি ভাবিছোঁ যে উচ্চ ন্যায়ালয়ে পুনৰ বিচাৰ আৱেদনখন গ্ৰহণ কৰিব নালাগিছিল। আকস্মিকভাৱে, আমি আৰু লক্ষ্য কৰিছোঁ যে উচ্চ ন্যায়ালয়ে এহাতে দেখুৱাইছে যে ৩ নম্বৰ প্ৰশ্নকাকতৰ ওপৰত কৰা অভিযোগৰ ওপৰত ভিত্তি কৰি ৰায়টো দিয়া হৈছিল। তৎসত্বেও, ২ আৰু ৩ নং প্ৰশ্নকাকতৰ

পৰৱৰ্তী পৃষ্ঠাত

মূল্যায়নৰ নির্দেশ দিয়া হৈছিল। এইটো সত্য হ’ব পাৰে যে ৩ নম্বৰ প্ৰশ্নকাকত মূল্যায়ন কৰিবলৈ দিয়াটো ভুল আছিল কিন্তু ইয়াক প্ৰশ্নকাকত ১ আৰু ২ বুলি ধৰা হৈছিল। উচ্চ ন্যায়ালয়ে ২ নম্বৰ প্ৰশ্নকাকতৰ উত্তৰ বিচাৰি হস্তক্ষেপ সূচনা কৰিছিল। তেনে পৰিস্থিতিত, আমি আপীল গ্ৰহণ কৰি বিৰোধিত ৰায়টো খাৰিজ কৰিছোঁ। উচ্চ ন্যায়ালয়ত দাখিল কৰা পুনৰ বিচাৰ আৱেদনখন বৰ্খাস্ত হৈ থাকিল। খৰচৰ কোনো আদেশ নাই।

ন্যায়াধীশ অশোক ভূষণ

ন্যায়াধীশ কে. এম. যোছেফ

নতুন দিল্লী

৬ ফেব্ৰুৱাৰী, ২০১৯

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্যক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ সম্পাদনা আৰু কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।)